অসম চৰকাৰ

জিলা আয়ুক্তৰ কাৰ্যালয় :::::::::::::::::::::::::::::: চৰাইদেউ , সোনাৰি ।

নং. চি.আৰ.কে.জি.৩/২০১০-১১/Vol-II/3327-32 তাৰিখ ১২/০৯/২০২৪

## বিজ্ঞাপন

চৰাইদেউ জিলাত তলত উল্লেখিত ৰাজহ চক্ৰ সমূহৰ অন্তৰ্গত গাঁও অথবা গাঁও সমূহত খালী হৈ থকা চৰকাৰী গাঁও প্ৰধান পদ সমূহ পূৰণ কৰিবৰ বাবে স্থানীয় উপযুক্ত প্ৰাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে।

আবেদনকাৰীয়ে অসম গেজেটৰ খণ্ড IX-ত প্ৰকাশিত প্ৰ-পত্ৰত (Standard Form of Application) আবেদন কৰিব লাগিব । আবেদনকাৰীয়ে কোনখন গাঁৱৰ গাঁও প্ৰধান পদৰ বাবে আবেদন কৰিছে সেই গাঁও/গাঁও সমূহৰ নাম উল্লেখ কৰাৰ লগতে আবেদনকাৰীয়ে ভ্ৰাম্যভাস নম্বৰ (ম'বাইল নম্বৰ) স্পষ্টকৈ আবেদনত সন্নিবিষ্ট কৰাটো বাধ্যতামূলক ।

| ক্ৰঃনং | গাঁওৰ নাম | পদৰ সংখ্যা | ৰাজহ চক্ৰৰ নাম | পাৰিতোষিক |
|---|---|---|---|---|
| ১ | জংগল ব্লক, টাওনী হ্যবি | ১ | মাহমৰা ৰাজহ চক্ৰ | ৯০০০.০০ |
| ২ | লাইচেং | ১ | | |
| ৩ | হাতীবৰুৱা, মৌড়ুমনী | ১ | | |
| ৪ | টিয়কীয়া, ডাওৰীকুমাৰ আৰু বৰপাত্ৰ বাগিছা | ১ | সাপেখাতি ৰাজহ চক্ৰ | |
| ৫ | চোমনী গাঁও, চোলাধৰা গাঁও | ১ | সোনাৰি ৰাজহ চক্ৰ | |
| ৬ | নৰা গাঁও, চলাপথাৰ গাঁও | ১ | | |
| ৭ | ২ নং কোঁৱৰ গাঁও | ১ | | |
| ৮ | শিঙৰীতলি বঙালী | ১ | | |
| ৯ | ভজো গাঁও, টিয়ক গাঁও | ১ | | |
| | মুঠ = | ৯ টা | | |

**আবেদনকাৰীৰ নিম্নতম অৰ্হতাঃ-**

১) আবেদনকাৰী ভাৰতীয় নাগৰিক হ'ব লাগিব আৰু নিযুক্তিৰ বাবে আবেদন কৰা গাঁওৰ অথবা গাঁও প্ৰধান লাটৰ গাঁও সমূহৰ ভিতৰত এখনৰ স্থায়ী বাসিন্দা হ'ব লাগিব ।

২) আবেদনকাৰীৰ বয়স ১/১/২০২৪ তাৰিখে ৩০ বছৰৰ উৰ্দ্ধৰ হ'ব লাগিব আৰু উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষা বা অসম চৰকাৰৰ স্বীকৃতিপ্ৰাপ্ত ব'ৰ্ড/প্ৰতিষ্ঠানৰ পৰা সমপৰ্য্যায়ৰ পৰীক্ষাত উৰ্ত্তীৰ্ণ হ'ব লাগিব ।

৩) আবেদনকাৰীৰ দুটা সন্তানতকৈ অধিক জীৱিত সন্তান থাকিব নালাগিব ।

৪) আবেদনকাৰী শাৰীৰিক ভাৱে সক্ষম আৰু সুস্থ মস্তিষ্কৰ অধিকাৰী হ'ব লাগিব ।

৫) আবেদনকাৰী আৰ্থিকভাৱে দেওলীয়া আৰু কোনো চৰকাৰী ধনৰ দেনাদাৰ হ'ব নালাগিব ।

৬) গাঁও প্ৰধান পৰিয়ালৰ ব্যক্তিক অগ্ৰাধিকাৰ দিয়া হ'ব আৰু মৌজাদাৰৰ মতামতক বিবেচনা কৰা হ'ব ।

৭) আবেদনকাৰী চৰকাৰী চাকৰিয়াল বা কোনো ৰাজনৈতিক দলৰ সদস্য/সদস্যা হ'ব নোৱাৰিব ।

৮) আবেদনকাৰীয়ে গাঁওপ্ৰধান হিচাবে নিযুক্তি বিচৰা অঞ্চলত আবেদনকাৰীৰ নিজ নামত ভূমি/স্থাৱৰ সম্পত্তি থাকিব লাগিব ।

৯) আবেদনকাৰী উচ্চ মৰ্যাদাসম্পন্ন, দক্ষ আৰু সমাজৰ সন্মানীয় স্থিতিত থকা ব্যক্তি হ'ব লাগিব।

১০) আবেদনকাৰী প্ৰাকৃতিক দুৰ্যোগ বা অন্যান্য চৰকাৰী কাৰ্যসূচী ৰূপায়ণ কৰাত অংশগ্ৰহণকাৰী তথা চৰকাৰক সহযোগ কৰা ব্যক্তি হোৱাটো বাঞ্চনীয়।

**আবেদনৰ লগত নিম্ন উল্লেখিত প্ৰমান পত্ৰ সমুহ দাখিল কৰাটো বাধ্যতামুলকঃ-**

ক) স্থায়ী বাসিন্দাৰ প্ৰমাণ –পত্ৰ।

খ) বয়স আৰু শিক্ষাগত অৰ্হতাৰ প্ৰমাণ-পত্ৰ (অসম চৰকাৰৰ স্বীকৃতিপ্ৰাপ্ত ব'ৰ্ড/অনুষ্ঠানৰ প্ৰমাণ-পত্ৰ আৰু মাৰ্কশ্বীট গাঁঠি দিব লাগিব।

গ) বাকীজাই দেনামুক্ত প্ৰমাণ-পত্ৰ।

ঘ) নিৰ্দিষ্ট অঞ্চলত নিজ নামত ভূমি/স্থাৱৰ সম্পত্তি থকাৰ প্ৰমাণ-পত্ৰ।

ঙ) সামাজিক কামৰ অভিজ্ঞতা (প্ৰমাণ-পত্ৰ গাঁঠি দিব লাগিব )।

চ) আবেদনকাৰীৰ ক্ষেত্ৰত মৌজাদাৰৰ মতামত সম্বন্ধীয় প্ৰমাণ-পত্ৰ।

ছ) আবেদনকাৰীয়ে আবেদন দাখিল কৰাৰ সময়ত জীৱনসংগী এজন/এগৰাকীতকৈ অধিক হলেও দুটা সন্তানতকৈ অধিক সন্তান নথকাৰ শপতনামা দাখিল কৰিব লাগিব।

জ) আবেদনকাৰীয়ে নিজৰ পাছপৰ্ট আকাৰৰ দুখন ফটো গাঁঠি দিব লাগিব।

ওপৰত উল্লেখিত অৰ্হতা সমুহ বাধ্যতামূলক আৰু আবেদনকাৰীয়ে দাখিল কৰা প্ৰমাণ-পত্ৰ সমুহ যদি ভুৱা বুলি প্ৰমাণিত হয়,তেন্তে তেখেতৰ প্ৰাৰ্থীত্ব তাৎক্ষণিক নাকচ কৰা হ'ব।

আবেদন পত্ৰ চৰাইদেউ জিলাৰ আয়ুক্ত কাৰ্য্যালয়ৰ ৰাজহ শাখাত জমা দিবলৈ জনোৱা হ'ল। আবেদন জমা দিয়া শেষ তাৰিখ ৩০/১০/২০২৪ বিয়লি ৪.০০ বজা।

অৰ্হতাসম্পন্ন আবেদনকাৰী সকলক যথা সময়ত নিৰ্বাচনী ব'ৰ্ডৰ আগত উপস্থিত হ'বলৈ জনোৱা হ'ব।

জিলা আয়ুক্ত
চৰাইদেউ জিলা
District Commissioner
Charaideo

স্মাৰক নংঃ- চি.আৰ.কে.জি.৩/২০১০-১১/Vol-II/3327-32

তাং ১২/০৯/২০২৪

ইয়াৰ প্ৰতিলিপিঃ-

১) প্ৰধান সচিব,ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা,অসম,দিছপুৰ,গুৱাহাটী-০৬।

২) চক্ৰ বিষয়া, মাহমৰা/সোনাৰি/সাপেখাতি ৰাজহ চক্ৰৰ জ্ঞাতাৰ্থে আৰু বিজ্ঞাপনটিৰ বহুল প্ৰচাৰৰ ব্যৱস্থা কৰিবৰ বাবে প্ৰেৰণ কৰা হ'ল।

৩) জিলা তথ্য ও জনসংযোগ বিষয়া,চৰাইদেউ জ্ঞাতাৰ্থে আৰু বহুল প্ৰচাৰৰ বাবে প্ৰেৰণ কৰা হ'ল।

৪) মৌজাদাৰ,খালৈঘোগুৱা/মাহমৰা/অভয়পুৰ/বৰুৱাচালি/সাপেখাতি/শিলাকুটি মৌজা। তেখেত সকলে বিজ্ঞাপনটিৰ বহুল প্ৰচাৰৰ ব্যৱস্থা কৰিব।

৫) সভাপতি / সম্পাদক, চৰাইদেউ জিলাৰ গাঁও প্ৰধান সন্থাৰ জ্ঞাতাৰ্থে আৰু ব্যৱস্থাৰ্থে প্ৰেৰণ কৰা হ'ল।

৬) জাননী ফলক, চৰাইদেউ জিলাৰ আয়ুক্ত কাৰ্য্যালয়।

জিলা আয়ুক্ত
চৰাইদেউ জিলা
District Commissioner
Charaideo